তাৰাশংকৰ বন্দোপাধ্যায়ৰ উপন্যাসত পশ্চিম বংগৰ অঞ্চল বিশেষৰ ভৌগোলিক চেতনা, গ্ৰাম্য অৰ্থনীতি, মানুহৰ জীৱন অভিজ্ঞতা আদিয়ে প্ৰাণ পাই উঠাৰ দৰে মানিক বন্দোপাধ্যায়ৰ উপন্যাসত বাংলাদেশৰ (তৎকালীন পূৰ্ববঙ্গ) পৰিবেশ আৰু সেই অঞ্চলৰ সাধাৰণ মানুহৰ জীৱন চিত্ৰ মূৰ্ত্ত হৈ উঠিছে। তেখেতৰ দুই এখন উপন্যাস যেনে — 'চতুষ্কোণ', 'সৰীসৃপ' আদিত ফ্ৰয়েডীয় মনঃস্তত্বৰ প্ৰকাশো ঘটিছে। মানুহৰ আদিম প্ৰবৃত্তি সমূহৰ জীৱন্ত চিত্ৰ অংকন কৰি লেখকে যেন পৃথিবীৰ অন্ধকাৰ যুগলৈহে উভতি গৈছে। নৰ-নাৰীৰ জৈৱ-সত্তা আৰু তাৰ বিকাশৰ উপলব্ধি কৰি লেখকে তাৰ বিৱৰণ উন্মুক্ত ৰূপত দাঙি ধৰিছে একান্ত নিৰ্লিপ্ত আৰু নিৰাসক্তভাৱে।[৪] অৱশ্যে 'পদ্মা নদীৰ মাঝি', 'পুতুল নাচেৰ ইতিকথা', 'সহৰতলী', 'চিহ্ন' আদি উপন্যাসত যৌনতা মুখ্য বিষয় নহয়। এনেবোৰ উপন্যাসত প্ৰধান প্ৰতিপাদ্য বিষয় —'মানুহ'। গতিকে তেওঁৰ উপন্যাসত বৈচিত্ৰ্যময় ঘটনাৰ বিৱৰণ দিয়াতকৈ কোনো এটি ঘটনাই মানুহৰ মনত কিৰূপে প্ৰতিক্ৰিয়া কৰে তাক ফুটাই তুলিবলৈ চেষ্টা কৰাহে দেখা যায়। 'পদ্মা নদীৰ মাঝি' উপন্যাসত প্ৰধান চৰিত্ৰ কুবেৰৰ অন্তৰ্জগতলৈ ভুমুকি মাৰিলে এই কথা অধিক স্পষ্ট হৈ পৰে। বন্দোপাধ্যায়ৰ গল্প উপন্যাসত মানুহক দেহজীৱী মানুহৰ ৰূপত ফুটাই তুলিব বিচাৰিছে। দেহ ব্যতিৰেকে আন কামনা বাসনাক লেখকে পৰাপক্ষত আওকাণ কৰিছে।

## আঞ্চলিক উপন্যাস পদ্মা নদীৰ মাঝি

কাহিনী বা বিষয়বস্তু উপস্থাপনৰ দৃষ্টিকোণৰপৰা 'পদ্মা নদীৰ মাঝি' উপন্যাসক আঞ্চলিক উপন্যাসৰ শ্ৰেণীভুক্ত কৰিব পাৰি। "আঞ্চলিক উপন্যাসত এটা বিশেষ অঞ্চলৰ জীৱনধাৰাৰ স্বকীয় বৈশিষ্ট্য পৰিস্ফুট হৈ উঠে। সেই অঞ্চলৰ বিশ্বাস, মাত-কথা, আচাৰ-ব্যৱহাৰ, প্ৰাকৃতিক পৰিবেশ আদিয়ে কাহিনীত প্ৰভাৱ বিস্তাৰ কৰে।"[৫] এনে উপন্যাসৰ চৰিত্ৰাৱলীয়েও আনকি অঞ্চলটোৰ অধিবাসীসকলৰ প্ৰকৃতিগত প্ৰতিনিধিত্ব কৰে।[৬] বাংলাদেশৰ প্ৰাণস্পন্দন স্বৰূপ পদ্মা নদীৰ পাৰত অৱস্থিত কেতুপুৰ গাঁৱৰ মাছমৰীয়া মাঝি সকলৰ জীৱন, আবেগ-অনুভূতি, হাঁহি-কান্দোন আদি হৃদয়গ্ৰাহী ৰূপত চিত্ৰিত হৈছে 'পদ্মা নদী মাঝি' উপন্যাসত। পদ্মা নদী পৰীয়া কেতুপুৰৰ মানুহবোৰৰ বাবে পদ্মানদী জীৱনদায়িনী শক্তিৰ আধাৰ। কেতুপুৰ গাঁৱক কেন্দ্ৰ কৰিয়েই এক নিৰ্দ্দিষ্ট ভৌগোলিক সীমাৰ মাজত বসবাস কৰা মানুহবোৰৰ আশা-আকাঙক্ষা, ৰীতি-নীতি, বিশ্বাস, লোক-উৎসৱ, গীত-মাত, দৈনন্দিন জীৱন সংগ্ৰাম আৰু অৰ্থনৈতিক অৱস্থা সমগ্ৰ উপন্যাসখনত পৰিপাটিকৈ বিন্যস্ত হৈছে। উপন্যাসৰ কাহিনীত সৰ্বক্ষণতে অনুৰণিত হৈ আছে কেতুপুৰ গাঁৱৰ মানুহৰ সুখ-দুখ আৰু জীৱন বীক্ষা। বাৰিষাৰ বানপানী, ধুমুহা,



বতাহ-বৰষুণ, খৰালিৰ ধূলি-ধূসৰিত বাট-পথ আদি প্ৰকৃতিৰ ন ন ৰূপৰ সৈতে ছন্দ মিলাই জীৱন অতিবাহিত কৰে পদ্মানদীৰ পাৰৰ বাসিন্দাসকলে। 'পদ্মা নদীৰ মাঝি' উপন্যাসত ভৰ বাৰিষা কাহিনী আৰম্ভ হৈ ক্ৰমে শাওণ, ভাদ, আহিন মাহ পাৰ হৈ শীতৰ পিছত ফাগুন মাহত কাহিনীৰ অন্ত পৰিছে।[৭] কাহিনীৰ স্তৰে স্তৰে ভিন ভিন প্ৰাকৃতিক পৰিবেশে উপন্যাসৰ কাহিনীৰ গতি সোঁত নিৰ্ণয় কৰিছে। বাৰিষা ছাল উৰুখি পানী পৰা বাবে দৰিদ্ৰ কুবেৰে হোসেন মিঞাৰ অনুগ্ৰহৰ ৰূপত শন খেৰ লৈ কৃতজ্ঞ (oblige) হৈ থাকিবলগীয়া হৈছে। 'আহিনৰ ঝড়ে' ঘৰ ভাঙি পেলোৱা বাবে হোসেন মিঞাৰ সহায় লৈ ঘৰ বান্ধিব লগা হৈছে। বাৰিষাৰ ইলিশ মাছৰ বতৰ শেষ হোৱাৰ পিছত কুবেৰক ধনঞ্জয়ৰ নাৱৰ মাঝিৰূপে পুনৰ নিযুক্ত নকৰিলে। খৰালি পদ্মাৰ বুকুত মাছ বেছি পোৱা নাযায়। যি মাছ পোৱা যায় তাৰে সংসাৰ চলোৱা টান। সেয়ে হোসেন মিঞাই আগবঢ়োৱা প্ৰস্তাৱ গ্ৰহণ কৰি কুবেৰ হোসেনৰ নাৱত মাঝি হৈছেগৈ। গতিকে এই উপন্যাসত প্ৰাকৃতিক পৰিবেশে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। আনহাতে উপন্যাস খনৰ অন্যতম প্ৰধান বৈশিষ্ট্য হৈছে ইয়াৰ ভাষা। মন কৰিবলগীয়া সমগ্ৰ উপন্যাসখনত সকলোবোৰ চৰিত্ৰৰ মুখত বাংলাদেশৰ কেতুপুৰ অঞ্চলৰ কথিত আঞ্চলিক ভাষা প্ৰয়োগ হৈছে। যাৰ বাবে উপন্যাসখনত সেই অঞ্চলৰ মানুহৰ চিন্তা-চেতনা, আত্মিক অনুভূতি পাঠকৰ মনোজগতত ব্যাপ্ত হৈ পৰিছে।

ঋতু অনুযায়ী বছৰৰ ভিন ভিন সময়ত পালন কৰা লোক-উৎসৱৰ বৰ্ণনায়ো উপন্যাসৰ কাহিনীক অধিক বাস্তৱমুখী কৰি তুলিছে। কেতুপুৰ গাঁৱৰ প্ৰায় সকলো মানুহেই পদ্মাৰ সিটো পাৰে সোণাখালি গাঁৱত অনুষ্ঠিত ৰথ উৎসৱৰ মেলালৈ গৈছে। কুবেৰ মাঝি আৰু বন্ধু গণেশো ল'ৰা-ছোৱালী লগত লৈ মেলালৈ যায়। আনন্দ উপভোগ কৰে। আকৌ আহিনৰ মাজভাগত কেতুপুৰ গাঁৱতেই চাৰি দিনীয়াকৈ অনুষ্ঠিত হৈছে 'আহিনৰ পূজা'। সকলোৱেই পূজা চাবলৈ 'বাবুদেৰ' (বাবুৰ) ঘৰলৈ গৈছে। কুবেৰৰ শহুৰেকৰ গাঁও চৰডাঙাৰ ফাগুনমহীয়া দৌল উৎসৱৰ বৰ্ণনায়ো উপন্যাসৰ কাহিনীত ঠাই পাইছে।

> *ৰঙ ও কাদা নিয়া দোলেৰ উৎসৱ চলিয়াছে, ৰঙেৰ চেয়ে কাদাৰ পৰিমাণটাই এ পাড়ায় বেশী। চাষা-ভূষা জেলে মাঝিদেৰ পাড়া এটা, এখানে ৰঙেৰ বড় অনাটন। অনেক বেলায় মূৰ্ত্তি সমূহেৰ একটা শোভাযাত্ৰা পাড়া হইতে গ্ৰাম প্ৰদক্ষিণ কৰিতে বাহিৰ হইল। .... পৃঃ ১২৫*

অসমীয়া সমাজত পুৰণি দিনৰ পৰা প্ৰচলিত এটি লোক-বিশ্বাসৰ লগত মিল